# প্ৰথম অসমীয়া ৱিকিমিটআপ

ৱিকিপিডিয়া এখন বিশ্বকোষ। বিশ্বৰ যিকোনো বিষয়ে শুদ্ধ আৰু নিৰপেক্ষভাবে জ্ঞান সংগ্ৰহ কৰি সকলোলৈকে বিনামূল্যে উপলব্ধ কৰাৰ প্ৰয়াসেৰে এই আন্তৰ্জাতিক আৰু বহুভাষিক প্ৰকল্পৰ সূচনা কৰা হৈছে। পৃথিৱীৰ বিভিন্ন স্বেচ্ছাসেৱক লেখকে বিভিন্ন স্থানৰ পৰা নিজৰ নিজৰ অৰ্হতা অনুসৰি কোনো বিষয়ত অৰদান দি বিভিন্ন ভাষাত ৱিকিপিডিয়া প্ৰতিষ্ঠা কৰিছে। ৱিকিমিডিয়া ফাউণ্ডেশ্যন নামৰ ২০০১ চনত প্ৰথমতে ইংৰাজী ৱিকিপিডিয়াৰ পৰা আৰম্ভ কৰা এই প্ৰকল্পৰ অধীনত এতিয়ালৈকে প্ৰায় ২৮০ টামান ভাষাৰ ৱিকিপিডিয়া প্ৰতিস্থা হ'ল। বৰ্তমান বিশ্বৰ প্ৰায় ৩৬০ নিযুত মানুহে ব্যৱহাৰ কৰা এই ৱিকিপিডিয়াবোৰৰ সংখ্যা ভৱিষ্যতলৈও বাঢ়ি গৈ থাকিব।

"অসমীয়া ৱিকিপিডিয়া "হৈছে এই ৱিকিপিডিয়া নামৰ বৃহত্তৰ প্ৰকল্পটোৰ এক অংশ। এই বিশ্বকোষৰ URL হৈছে http://as.wikipedia.org। অসমীয়া ৱিকিপিডিয়া ২০০২ চনৰ জুলাই মাহত আৰম্ভ কৰা হয়। অসমীয়া মুক্ত বিশ্বকোষৰ মূল উদ্দেশ্য হৈছে অসমীয়া ভাষাত এখন সম্পূৰ্ণ বিশ্বকোষ প্ৰণয়ন কৰা। অসমীয়া ৱিকিপেডিয়াত বৰ্তমান হেজাৰতকৈও অধিক প্ৰৱন্ধ আছে আৰু ইয়াৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈ আছে।

ৱিকিমিটআপ হৈছে ৱিকিপিডিয়ানসকল (বিভিন্ন ঠাইৰ পৰা অসমীয়া ৱিকিপিডিয়া প্ৰকল্পলৈ অৰদান আগবঢ়োৱা সদস্যসকল) লগ হৈ নিজৰ নিজৰ মতামত আদান প্ৰদান কৰিব পৰা এখন আলোচনা। অসমীয়া ৱিকিপিডিয়াৰ কাম ইমান দিনে অনলাইন চলি আছিল যদিও আটাইখিনি ৱিকিপেডিয়ান একেলগ হোৱা নাছিল, গতিকে ৱিকিপেডিয়ানসকল লগ হ'বলৈ আৰু সজাগতা বৃদ্ধিৰ বাবে কিছু নতুন মানুহক অসমীয়া ৱিকিৰ বিষয়ে জনাবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত এখন সভাৰ আহ্বান কৰা হৈছে। সভাখনৰ লগত সংগতি ৰাখি এখন কৰ্মশালাও আয়োজন কৰা হৈছে।

অসমীয়া ৱিকিপিডিয়াৰ প্ৰথম গুৱাহাটী মিটআপখন অহা দেওবাৰ **২৯ জানুৱাৰী ২০১২** তাৰিখে পতাৰ সিদ্ধান্ত লোৱা হৈছে।

**স্থান:- কম্পিউটাৰ বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়**
**সময়:- দিনৰ ২ বজাত**

উক্ত দিনা আপোনালোকক মিটআপত আৰু কৰ্মশালাখনত উপস্থিত থাকি **অসমীয়া ৱিকিপিডিয়া**ৰ এজন সহযোগী হ'বলৈ অনুৰোধ জনালোঁ।

অসমীয়া ৱিকিপিডিয়াৰ হৈ আহ্বায়ক –
জ্যোতি প্ৰকাশ নাথ
ম'বাইল : ৯৮৬৪৯১৭৭০৬